

"জয়তি গোবিন্দ"

# সংস্কৃতি পল্লৱ

বসন্ত সংখ্যা

ত্ৰৈমাসিক ধৰ্মীয়-সামাজিক-সাংস্কৃতিক আলোচনী
এপ্ৰিল-জুন, ২০১৮ চন (ব'হাগ-আহাৰ, ১৯৪০ শক)
উনবিংশ বৰ্ষ, তৃতীয় সংখ্যা



# জাতি গঠনত মূল্যবোধৰ শিক্ষা

ড° পীতাম্বৰ দেৱ গোস্বামী,
সত্ৰাধিকাৰ, আউনীআটী সত্ৰ, মাজুলী

শিক্ষাই সমাজত দুপাহ গোলাপৰ দৰে মূল্যবোধ আৰু নীতিবোধ উৎপন্ন কৰে। ইয়াৰে মূল্যবোধ জীৱনৰ মূল বুনিয়াদ (আধাৰ) মানুহৰ পৰম্পৰাই মূল্যবোধৰ জন্ম দিয়ে। সমাজত পৰম্পৰাগত ভাবে প্ৰচলিত ৰীতি, নীতি, ধৰ্ম, সংস্কৃতি নৈতিকতা, সুৰুচিবোধ আৰু যথাৰ্থ পদ্ধতিক মানি চলাকে মূল্যবোধৰ আখ্যা দিয়া হয়।

শিক্ষাত এই মূল্যবোধ সৃষ্টি হৈছিল বেদৰ যুগতে। গুৰুকূলীয়া শিক্ষা ব্যৱস্থাত "পিতা দেবো ভৱঃ" "মাতা দেবো ভৱঃ" "আচাৰ্য দেৱো ভৱঃ" "অতিথি দেৱো ভৱঃ" দিয়া এই শিক্ষাত প্ৰকৃত অৰ্থত মূল্যবোধৰ শিক্ষাকেই দিয়া হৈছিল। আনহাতে মানৱীয় চেতনা, জাতীয় চেতনা চৰিত্ৰ গঠন নীতি জ্ঞানৰ শিক্ষাই মূল্যবোধৰ জন্ম দিয়ে। উদাহৰণ -

"মাতৃৱৎ পৰদাৰেষু, পৰদ্ৰব্যেষু লোষ্ট্ৰৱা, আত্মৱৎ সৰ্ব্বভূতেষু যঃ পশ্যতি, সঃ পণ্ডিতঃ" অৰ্থাৎ পৰ স্ত্ৰী দেখাৰ লগে লগে। মাতৃজ্ঞান, পৰ দ্ৰব্যত লো (লোহা) সদৃশ জ্ঞান, সকলো প্ৰাণীত আত্ম সমজ্ঞান এয়া প্ৰকৃত মূল্যবোধৰ চানেকী। এনেভাৱ আনিব পৰা জনেই প্ৰকৃত পণ্ডিত।

বেদত কোৱা এই বাণীও মূল্যবোধৰ শিক্ষা। ওঁ সহনা ববতু, সহনৌ ভূনক্তু
সহবীৰ্যং কৰবাৱহৈ, তেজস্বিনাৱধীতমস্তু
মা দ্বিষাবহৈ ওঁ শান্তি শান্তি শান্তি

অৰ্থাৎ আমি পৰস্পৰে পৰস্পৰক ৰক্ষা কৰিম, আমি সকলোৱে সহনশীল হম। আমি মিলিত হৈ ভোজন কৰিম, আমাৰ বলবীৰ্য্য সম্মিলিত ভাৱে বৰ্দ্ধিত হওঁক, আমাৰ অধ্যয়ন সকলোৰে শক্তিশালী হওঁক, আমি এজনে আনজনক বিদ্বেষ নকৰো, আমাৰ সৰ্ব্বতোপ্ৰকাৰ শান্তি হওঁক, এই শান্তি আমি শৰীৰে মনেৰে বচনেৰে কামনা কৰোঁ।

মূল্যবোধ বুলি কলে আকৌ সততা সত্য বাদিতা, ন্যায়-নিষ্ঠ, সময়নিষ্ঠ, সজনশীল, ভাতৃত্ববোধ, আনুগত্যতা, সহানুভূতি, দয়া, স্নেহ, শ্ৰদ্ধা পৰোপকাৰ, সহযোগিতা আৰু আত্মনিয়ন্ত্ৰক বুজায়। শিক্ষাই দিয়ে জ্ঞান। এই জ্ঞান নৈতিক তথা মূল্যবোধৰ জ্ঞান, আধ্যাত্মিক জ্ঞানঃ আৰু যিকোনো কৰ্মৰ জ্ঞান।

শিক্ষাই হ'ল সকলো বেয়া উপাদান বেয়া চিন্তা নোহোৱা কৰাৰ মূল ঔষধ "Education is the Panacea to all evills" ধৰ্মনীতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি শিক্ষানীতি সকলোতে মূল্যবোধ জৰিত হৈ আছে। সেয়ে এনে নীতি জাতি সমাজ তথা ৰাষ্ট্ৰ ৰক্ষাৰ বাবে অতি আৱশ্যক সেই বিলাক হ'ল নীতি থকা ৰাজনীতি, বিবেক থকা সন্তুষ্টি, কৰ্ম থকা সম্পদ, চৰিত্ৰ থকা শিক্ষা, মানৱতা থকা বিজ্ঞান, নৈতিকতা থকা ব্যৱসায় আৰু ত্যাগ থকা উপাসনা। কিন্তু আজি ইয়াৰ বিপৰীত ছবি দেখা গৈছে যি ছবিৰ কথা মহাত্মা গান্ধীয়ে তেতিয়াই কৈ থৈ গৈছিল যাক জাতিৰ পিতাই ব্যভিচাৰ তথা মহা অপৰাধ বুলি কৈ থৈ গৈছিল সেই বিপৰীত বিপদকামী ভাৱকেইটা হ'ল - নীতি বিহিন ৰাজনীতি, বিবেক বিহীৱ সন্তুষ্টি, কৰ্মবিহীন সম্পদ, চৰিত্ৰ বিহীন শিক্ষা, মানৱতা বিহীন বিজ্ঞান, নৈতিকতা বিহীন ব্যৱসায় আৰু ত্যাগ বিহীন উপাসনা।

আজি যি হাৰত নীতি বিহীন ৰাজনীতি প্ৰচলিত হৈছে, বিবেকৰ দংশন তথা বিচাৰ নথকা সন্তুষ্টিয়ে প্ৰাধান্য পাইছে, কৰ্ম নকৰাকৈ সম্পদ, সংগ্ৰহৰ লালসা বৃষ্টি পাইছে, চৰিত্ৰ নথকা শিক্ষা গা কৰি উঠিছে। কেৱল বৃত্তিমুখী শিক্ষাৰ প্ৰয়োভৰ ঘটিছে, মানৱতা ধ্বংশ কামনা বাসনা পূৰণ কৰাৰ নামত সকামি উপাসনাৰ প্ৰথা প্ৰচলিত হৈছে ইয়ে মানৱ জাতিলৈ নমাই আনিছে অশনি সংকেট। ই লভ্য শান্তি কামি মানৱ জাতি অশান্ত হোৱাৰ মূল কাৰক।

মূল্যবোধৰ আমি পাঁচটা শ্ৰেণী নিৰূপন কৰিব পাৰোঁ।

(ক) Material Value   টকা, পইচা, সম্পত্তি, নাম যশস্যা

(খ) Social Value   আচৰণ, অভ্যাস, সামাজিক নিয়ম, নীতিগত কথা

(গ) Cultural Value   সাংস্কৃতিক কৰ্ম, নৃত্য নাটক, গীত

(ঘ) Educational Value   সত্য, ধৰ্ম, শান্তি, প্ৰেম, অহিংসা

(ঙ) Spiritual Value   সম, দম, উপৰতি, তীতিক্ষা, শ্ৰদ্ধা, সমাধান

এই সকলো শ্ৰেণীতে আজি মূল্যবোধৰ অৱক্ষয় ঘটিছে।

বৰ্তমানৰ হিংসা, হত্যা, ধৰ্ষণ, লুণ্ঠন আদি মূল্যবোধহীন কাৰ্যৰ প্ৰেক্ষাপটত মূল্যবোধৰ শিক্ষা অতি প্ৰয়োজন হৈছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাত মূল্যবোধৰ শিক্ষা দিয়া হোৱা নাই। কেৱল জ্ঞান আৰু বুদ্ধিৰ শিক্ষাহে দিয়া হৈছে। ইংৰাজ চাহাব ৰাভেলে তেওঁ প্ৰতিবেদনত লিখিছিল- In education, we have done worst in India we are providing education only to the mind and not for character. As a result everage Indians have little character and no discipline. If they are to become a nation they must learn both.

বিশেষকৈ আজি যুৱ শক্তিৰ ক্ষেত্ৰত এই ভাৱ বিশেষভাৱে জাগ্ৰত কৰিব লাগিব। যুৱ শক্তিৰ প্ৰকৃত উত্থানেহে জাতি নিৰ্মাণত প্ৰকৃত অৰিহণা যোগাব। যিহেতু যুৱ শক্তি জাতিৰ মূল মেৰুদণ্ড। Youth is the backbone of Nation.

যাৰ নতুন উদ্ভাৱনা চিন্তা থাকে সৃজনী প্ৰতিভা থাকে তেওঁবেই তৰুণ তেওঁবেই যুৱক।

তৰুণত আছে কৰ্ম উদ্যম আৰু মূল্যবোধ ৰক্ষাৰ বিচাৰমুখী চিন্তা। নতুনক যুক্তিৰে গ্ৰহণ কৰিব পৰাজনেই আধুনিক। আমাৰ উপাস্য দেৱতা কৃষ্ণ আৰু ভক্ত নাৰদ সদায়ে যোল্ল বছৰীয়া আছিল। কাৰণ তেওঁলোক সদায় কৰ্মত ব্ৰতী আৰু মূল্যবোধ ৰক্ষাৰ অগ্ৰণী পূজাৰী। সেয়ে তেওঁলোকৰ শাৰীৰিক অৱস্থা পৰিৱৰ্তনত বয়সে কাবু কৰিব পৰা নাছিল। ভীষ্ম যাক ত্ৰিযুগীয়া পিতামহ বুলি কোৱা হয় সেই ভীষ্মইও বৃদ্ধ বয়সতো এক চফল যুৱকৰ দৰে যুদ্ধত অৱতীৰ্ণ হৈছিল, যথাযথ অস্ত্ৰ প্ৰয়োগ কৰি এগৰাকী নিপুন যুদ্ধাৰ পৰিচয় দিছিল। ইয়াৰ মূল কাৰণ আছিল সদাচাৰী, সংযমী, মূল্যবোধ, আধ্যাত্মিক চিন্তাৰ প্ৰতি থকা প্ৰকৃত নিষ্ঠা। ইয়াৰ প্ৰতি সততে পৰাকাষ্ঠা দেখুওৱাৰ কাৰণে আৰু গুৰুত্ব দিয়াৰ বাবেই ভীষ্মই মৃতুকো ইচ্ছাধীন কৰিব পাৰিছিল যাৰ কাৰণে আঘোনতে শৰসৰ্যাত পৰা ভীষ্মই তেওঁৰ ইচ্ছা অনুসাৰে মাঘমাহতেহে মৃত্যুক আকোৱালি লৈছিল। এপাত শৰ বা এক অস্ত্ৰ আঘাট পৰিলেই মানুহ ছটফটাই থাকে। কিন্তু ভীষ্মই সহস্ৰ শৰে বিন্ধাৰ পিছতো ছট্‌ফটাই থকা নাই, সুদীৰ্ঘ সময় শৰসৰ্বতি শান্তিৰে শয়ন কৰি পঞ্চ পাণ্ডৱক ধৈৰ্যৰে শান্তি বাৰ্তা প্ৰদান কৰিছিল। এইয়া সম্ভৱ হৈছিল সদাচাৰী সংযমী মূল্যবোধ আৰু আধ্যাত্মিক চিন্তাৰ যোগেদি। আজি যুৱ শক্তিয়ে এনে চিন্তাৰ প্ৰভাৱ নিজৰ জীৱনত পেলাব পাৰিলে অকাল মৃত্যুক কেতিয়াও আকোৱালি ল'ব নালাগে। দুৰ্ঘটনাত পতিত হৈ মৃত্যু গ্ৰহণ কৰা অৱস্থা ৰোধ কৰিব পাৰিব। মৃত্যুৰ নিৰ্দিষ্ট সীমা থাকিলেও মৃত্যু কেৱল দৈৱৰ অধীন হব নোৱাৰে ইয়াৰ উদাহৰণ ভীষ্ম।

বস্তু আৰু ভোগেই কেৱল মানুহৰ জীৱন নহয়, সকলোৰে হিত চিন্তা তথা সকলোৰে কল্যাণ কামনা কৰাই মানৱ জীৱনৰ উদ্দেশ্য। ঋক বেদে সেই কথাকেই কৈছে।

সৰ্ব্বে ভৱন্তু সুখীনঃ সৰ্বেসন্তু নিৰাময়া।
সৰ্ব্বে ভদ্ৰানি পশ্যন্তু মা কাশ্চিদ্ দুখভাগ্ ভৱেৎ।

এয়া প্ৰকৃত মূল্যবোধৰ শিক্ষা। মূল্যবোধ ৰক্ষাৰ মূল অঙ্গ চৰিত্ৰ। চৰিত্ৰ বুলি কোৱাৰ লগে লগে পৰিশ্ৰমী, নিচামুক্ত, সংযমী, সাহসী, মিতব্যয়ী, নিৰহঙ্কাৰী, বিনয়ী, শ্ৰদ্ধাশীল, স্নেহ পৰায়ন আদি গুণ সমূহৰ কথা কোৱা হয়।

বিবেকানন্দই চৰিত্ৰ তথা মূল্যবোধৰ কাৰণেই বিদেশত নিজ ৰাষ্ট্ৰ তথা জাতিৰ উন্নত শিৰ প্ৰতিষ্ঠা কৰি থৈ আহিছিল। বিদেশী মহিলা এগৰাকীয়ে যেতিয়া বিবেকানন্দৰ বেশভূষা দেখি তাচ্ছিল্য কৰিছিল তাৰ উত্তৰত তেওঁৰ ভাৱ বুজি তেতিয়া বিবেকানন্দই কৈছিল "মহাশয়া আপোনালোকৰ দেশত ভদ্ৰতা আছে কাপোৰত আ অলঙ্কাৰত কিন্তু মই যিখন দেশৰ পৰা আহিছো সেইখন দেশৰ ভদ্ৰতা সজ্জনতা আছে চৰিত্ৰত। সেয়ে চৰিত্ৰই প্ৰাচ্য জাতিৰ পৰিচয় দিব পাৰে। প্ৰাচ্য সংস্কৃতিৰ সন্ত সাধু সকলে ইয়াৰ পৰিচয় দি আহিছে।

বৰ্তমান চৰিত্ৰ আৰু মূল্যবোধৰ শিক্ষাৰ পৰিৱৰ্তে স্বাৰ্থপৰতা যান্ত্ৰিকতা বস্তু ভোগৰ অত্যাধিক স্পৃহা আৰু ব্যক্তিকেন্দ্ৰিকতা বৃদ্ধি পাইছে। কেৱল নিজক লৈ ব্যস্ত হৈ থকা চিন্তাই জাতি, সমাজ, ৰাষ্ট্ৰ গঠন কৰিব নোৱাৰে। কেৱল নিজক লৈ ব্যস্ত হোৱা চিন্তা মানুহৰ আদিম অৱস্থা। ইয়ালৈ ঘূৰি

যোৱা মানেই ই ধ্বংসৰ কাৰক। "If atavism gains you go down" আজি চিৰ শাশ্বত মূল্যবোধৰ কথা মানুহে পাহৰি গৈছে যাৰ ফলত জাতিলৈ মহা সংকট নামি আহিছে গীতাই এই চিৰ শাসত মূল্যবোধৰ কথা এই দৰে দেখুৱাই থৈ গৈছে।

অদ্বেষ্টা সৰ্ব্বভূতানাং মৈত্ৰঃ করুণ এব চ। নিৰ্ম্মমো নিৰহঙ্কাৰ ঃ সম দুঃখ সুখঃ ক্ষমী।।

অৰ্থাৎ-যিজনৰ কাৰোপ্ৰতি দ্বেষভাৱ (হিংসা) নাই যিজন মিত্ৰ ভাৱাপন্ন করুণাশীল সেইজনৰ জীৱনেই মূল্যবোধ থকা জীৱন।

আকৌ কোৱা হৈছে

"অনপেক্ষ ঃ শুচিৰ্দক্ষ উদ্দাসীনো গতব্যসঃ" অৰ্থাৎ - যিগৰাকী নিস্পৃহ, পৱিত্ৰ, কৰ্মকুশল উদাসীন ব্যথাহীন তেওঁ সদায় শান্তি অনুভৱ কৰে।

এইদৰে পুনৰ কোৱা হৈছে -

যস্মান্নাদ্বিজতে লোকো লোকান্নোদ্বিজতে চযঃ। হৰ্ষামৰ্বভয়ো দ্বেগৈমুক্তো যঃ স মে প্ৰিয়ঃ।।

ভগৱানে কৈছে - যাৰ পৰা জগতৰ কোনো প্ৰাণীৰ উদ্বেগ নহয় আৰু যি নিজেও কোনো প্ৰাণীৰ পৰা উদ্বোগ বোধ নকৰে, যি আনন্দ ক্ৰোধ ভয় আৰু উদ্বেগৰ পৰা মুক্ত সেইজনে পৰিশীলিত জীৱন লাভ কৰে আৰু ভগৱানৰ প্ৰিয় ভক্ত ৰূপে চিহ্নিত হয়।

মূল্যবোধ ৰক্ষাৰ কাৰণে নিজৰ জীৱন আৰু আত্মীয়জনকো ত্যাগ কৰাৰ বহুতো উদাহৰণ আছে, ইয়াৰ ভিতৰত দধিচীমুনিৰ কথা কব পাৰি, দেৱতা সমাজ ৰক্ষাৰ বাবে আৰু সামাজিক মূল্য প্ৰতিষ্ঠাৰ কাৰণে দধিচীয়ে নিজৰ দেহ ত্যাগ কৰিছিল। তেওঁৰ দেহৰ অস্থিৰে বজ্ৰ তৈয়াৰ কৰি বৃত্ৰাসুৰক বধ কৰিছিল আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা হৈছিল। এনেদৰে ৰামায়ণৰ যুগত বিভীষণে নিজ পুত্ৰ তৰণীসেনক বধ কৰাৰ বাবে গুপ্তশৰ দেখুৱাই এনে উদ্দেশ্য সাধন কৰিছিল য'ত আছিল ৰাক্ষসৰ অত্যাচাৰ অৱসান, শান্তি প্ৰতিষ্ঠা।

আমাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰাণী মাত্ৰেই সমমৰ্যাদা প্ৰদান কৰা কথা কীৰ্ত্তন, ভাগৱত, বৰগীত ভটিমাত যি দৰে প্ৰকাশ কৰি থৈ গৈছে তাতেই আছে মানৱীয় প্ৰমূল্য, সামাজিক মূল্য তথা মূল্যবোধৰ চৰম শিক্ষা তাৰ উদাহৰণ বৰগীতত এইদৰে আছে -

যত জীৱ জঙ্গম কীয পটঙ্গম
অগ নগ জগ তেৰী কায়া

অৰ্থাৎ ভ্ৰমণাত্মক, স্থিৰ ভাৱাপন্ন উদ্ভিদ কীট পতঙ্গ আদি যিমান জীৱ আছে সকলো ঈশ্বৰৰ অংশ। এইদৰে কীৰ্তনত কৈছে -

সমস্ত ভূতত ব্যাপি আছো মই হৰি সবাকো মানিবা বিষ্ণু বুদ্ধি কৰি। এইদৰে সকলো প্ৰাণীতে সমভাৱ প্ৰতিষ্ঠা কৰি জাতি তথা সমান নিৰ্মাণ কৰাৰ কথা কৈছিল। সকলো শ্ৰেণী মানুহৰ মাজত ভাতৃত্ব ভাব জগাই তুলিছিল। ভিন্ন জাতি জনগোষ্ঠীৰে গঢ় লৈ উঠা মহান ভাৰতীয় জাতি নিৰ্মাণত শঙ্কৰাচাৰ্য্য সকলৰ দৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰভূত অৱিহনা আছিল। কিন্তু আজি

মূল্য বোধৰ শিক্ষাৰে জাতি নির্মাণ কৰা চিন্তা স্তিমিত হৈ পৰিছে। বর্তমান সময়ত বিভিন্ন জনগোষ্ঠীৰ মাজত মানৱীয় চেতনা জাতীয় চেতনা পুনৰ অধিক ভাৱে বৃদ্ধি কৰিব লাগিব। আজিৰ শিক্ষা ব্যৱস্থাত এনে চেতনা জাগৃত বিষয় অন্তর্ভুক্ত হ'ব লাগিব। এটা সুস্থ জাতি গঢ় দিবলৈ ছাত্র-ছাত্রী সকলে পৰা মূল্যবোধৰ শিক্ষা দিব লাগিব। গর্ভস্থ হোৱা সময়ৰ পৰাই মূল্যবোধৰ শিক্ষা দিয়া প্রাচীন শাস্ত্রীয় কাহিনী সমূহত ইয়াৰ উদাহৰণ। ইয়াৰ অন্যতম উদাহৰণ প্রহ্লাদ। কয়ুধুৰ গর্ভত থাকোতেই নাৰদে প্রহ্লাদক জ্ঞানৰ বার্তা প্রদান কৰিছিল। যাৰ বাবে প্রহ্লাদ আৰম্ভণিৰ পৰা ভক্তিমন্ত হৈছিল। তেনেকৈ শিশু অৱস্থাৰ পৰা ভক্তিমন্ত হোৱা হোৱা ধ্রুৱৰ কথা পোৱা যায়।

ভূতপূর্ব ৰাষ্ট্র ড° সর্বপল্লী ৰাধাকৃষ্ণনে আক্ষেপেৰে কৈছিল, "আমি ভাৰতীয় সকলে সামূহিক চিন্তা কৰাতকৈ ভাগ ভাগ কৰি চিন্তা কৰি ভাল পাওঁ, তাৰ ফলত জাতি গঠন প্রক্রিয়াত আউল লাগে। সেয়েহে শিক্ষা ব্যৱস্থাত মূল্যবোধৰ যোগেদি জাতীয় চেতনা আনিবলৈ চেষ্টা কৰাৰ প্রয়োজন।

সামূহিক চিন্তাইহে জাতি গঠনৰ চিন্তা আনিব পাৰে। সেয়ে ঋক বেদে তাহানিতে এই কথা কৈছিল- সংগচ্ছ ধ্বং, সংবেদধ্বং সংবো মনোংসি জনতাম

সমান মনঃ সহ চিত্তমেয়াম্

অর্থাৎ -

সকলোৰে যোৱাৰ লক্ষ এক হওঁক, সকলোৰে কোৱা সুৰ এক হওক, পৰস্পৰে পৰস্পৰক বুজি সকলোৰে মন চিত্ত এক ভাৱৰ হওক এনে ভাৱত উদ্বুদ্ধ হ'লে সমাজ জাতি মজবুত হবই। তাকেই নকৰি যদিপৃথকে থকাৰ মানসিকতা আছে যি জাকি দূর্ব্বল কৰিবই সমাজ থৰক বৰক হবই পৃথক চিন্তাই শক্তি তৈয়াৰ কৰিব নোৱাৰে। কিন্তু সামান বস্তুতে ঐক্য স্থাপন হ'লে মহৎ কার্য সাধন হব পাৰে উদাহৰণ -

অল্প নামপি বস্তুনাং সংহতি কার্যসাধিকা তৃনত্বে গুণমাপনে বধ্যমেন্ত মত্ত দন্তিনঃ। এদাল এদাল তৃণ উলিয়াই ললে একো কৰিব নোৱাৰি। কিন্তু সমস্ত তৃণ একেলগ কৰিলে তাৰ ৰচিৰে মদমত্ত হাতীকো বান্ধি ৰাখিব পাৰি। ইয়াকে কোৱা হয় সংহতি। ◆